# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-04-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হৈছে। এইবাৰৰ পৰীক্ষাত ৭২৫ গৰাকী পুৰুষ আৰু ২৮৪ মহিলা প্ৰাৰ্থীকে ধৰি মুঠ এহেজাৰ ৯ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হৈছে। শীৰ্ষ পাঁচটা স্থানত তিনিগৰাকী মহিলা আৰু দুজন পুৰুষ প্ৰাৰ্থী আছে। এইবাৰৰ পৰীক্ষাত শক্তি ডুবেই প্ৰথম স্থান, হৰ্ষিতা গোৱেলে দ্বিতীয় আৰু ডংগ্ৰে আৰ্ছিত পৰাগে তৃতীয় স্থান দখল কৰিছে। কেন্দ্ৰীয় লোকসেৱা আয়োগে বিগত বৰ্ষৰ ছেপ্তেম্বৰত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ লিখিত পৰীক্ষাসমূহ অনুষ্ঠিত কৰাৰ লগতে চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা এপ্ৰিলৰ ভিতৰত সাক্ষাৎকাৰ অনুষ্ঠিত কৰিছিল।

উল্লেখযোগ্য যে অসমৰ নগাঁৱৰ ভাস্বত শইকীয়াই এই পৰীক্ষাত ৪৭৪ সংখ্যক স্থান লাভ কৰিছে। নগাঁও জিলাৰ ডিফলুৰ বীৰেন্দ্ৰ নাথ শইকীয়া আৰু দিব্যজ্যোতি শইকীয়াৰ পুত্ৰ ভাস্বত শইকীয়াই ইয়াৰ পূৰ্বেও ২০২৩ বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফলত ৫৫২ নম্বৰ স্থান লাভ কৰিছিল।

০০০০

ৰাজ্যত অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত আছে। প্ৰাৰ্থীসকলে ভোটাৰক আকৰ্ষণ কৰাৰ উদ্দেশ্যে ঠায়ে ঠায়ে প্ৰচাৰ সভা, ৰেলী আদিৰ আয়োজন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰাকে ধৰি বিভিন্নজনে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাইছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ লাকুৱাত এখন জনসভাত অংশ লয়। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰা এই সভাত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মাহমৰা সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী যোগেন মহন, সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলীকে ধৰি কেইবাগৰাকী বিজেপি নেতাই অংশগ্ৰহণ কৰে।

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বৰাকত দুদিন প্ৰচাৰ চলোৱাৰ পাছত আজি গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ অন্তৰ্গত মৰঙি আৰু নামবৰ জিলা পৰিষদত নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই সভাপতিগৰাকীৰ সৈতে প্ৰচাৰ সভাত ভাগ লয়। কাইলৈ তেওঁ শোণিতপুৰ আৰু গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলাব। একেদৰে কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে কাইলৈ শদিয়া, লখিমপুৰ আৰু জোনাইত প্ৰচাৰ চলাব।

তেজপুৰত আজি আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে নিয়োজিত প্ৰায় এহেজাৰ ২৪০ গৰাকী প্ৰথম প'লিং বিষয়াৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰু বেলট বাকচ ব্যৱহাৰৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ সম্পন্ন হয়।

ধেমাজি জিলাত আজি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰদলনিৰ বৰবামত প্ৰচাৰ সভাত অংশ লয়। সাংসদ গগৈয়ে কেন্দ্ৰ আৰু ৰাজ্যত কংগ্ৰেছ চৰকাৰ নাথাকিলেও জনসাধাৰণৰ হৃদয়ত কংগ্ৰেছ আছে বুলি মন্তব্য কৰি বৰ্তমানৰ চৰকাৰখনক সমালোচনা কৰে।

ইপিনে পঞ্চায়ত নিৰ্বাচনৰ ভোটকেন্দ্ৰসমূহ বিধানসভাৰ ভোটকেন্দ্ৰৰ সৈতে অমিল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ভোটাৰসকলে যাতে ভোটকেন্দ্ৰ চিনাক্ত কৰাত অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে মৰিগাঁও জিলা প্ৰশাসনে খণ্ড পৰ্যায়ৰ বিষয়াসকলক সজাগতা সৃষ্টিৰ নিৰ্দেশ দিছে। অতিৰিক্ত জিলা আয়ুক্তই এখন জাননীযোগে বিষয়াসকলক পঞ্চায়ত সচিবৰ সহযোগত ভোটদাতাসকলক এইক্ষেত্ৰত সজাগ কৰিবলৈ নিৰ্দেশ দিয়ে।

হোজাই জিলাত অহা ২৪ এপ্ৰিলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ অভিযানত অংশ লোৱাৰ পৰিপ্ৰেক্ষিতত লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰকে ধৰি বিজেপিৰ কৰ্মকৰ্তাসকল তৎপৰ হৈ পৰিছে।

০০০০

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে আজি ধেমাজি জিলা ক্ৰিকেট সন্থাৰ নৱগঠিত সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে মিলিত হৈ জিলাখনত ক্ৰীড়া ক্ষেত্ৰৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। জিলাখনত কালি গঠন কৰা ক্ৰিকেট সন্থাৰ সমিতিত সভাপতি হিচাপে তেওঁক অন্তৰ্ভুক্ত কৰাৰ বাবে ডা০ পেগুৱে বাছনি সমিতিক ধন্যবাদ জনায়। তেওঁ অনাগত সময়ত জিলাখনৰ ক্ৰীড়া ক্ষেত্ৰৰ উৎকৰ্ষ সাধনেৰে ক্ৰীড়া প্ৰতিভাৰ বিকাশত অৰিহণা যোগাব পৰা যাব বুলি আশা প্ৰকাশ কৰে।

০০০০

পৰিবেশ সংৰক্ষণ আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি বিশ্ব ধৰিত্ৰী দিৱস পালন কৰা হৈছে। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধবংস আৰু জৈৱ বৈচিত্ৰ্যৰ ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ ১৯৭০ চনৰ পৰা প্ৰতি বছৰে আজিৰ দিনটো বিশ্ব ধৰিত্ৰী দিৱস হিচাপে পালন কৰি অহা হৈছে। এইবেলি বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ বিষয়বস্তু হ'ল- আমাৰ শক্তি, আমাৰ গ্ৰহ। বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ ৫৫ বছৰ পূৰ্ণ হোৱাৰ দিনটো আজি বিশ্বৰ ১৯২ খন দেশৰ জনসাধাৰণে উদযাপন কৰিছে। বিশ্ব ধৰিত্ৰী দিৱস উপলক্ষে জনস্বাস্থ্য কাৰিকৰী আৰু নগৰোন্নয়ন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিনন্দীয়া পৃথিৱীৰ সুৰক্ষাৰ বাবে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰিবলৈ ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ধেমাজি জিলাৰ দক্ষিণ ধেমাজি শিশু সংসদৰ উদ্যোগত আজি বিশ্ব ধৰিত্ৰী দিৱস পালন কৰা হয়। ধেমাজীৰ স্বেচ্ছাসেৱী সংস্থা ইকনমিক ডেভলপমেণ্ট অৰগেনাইজেশ্বন চমুকৈ চেদোৱে গঠন কৰা এই শিশু সংসদে জিলাখনৰ কোৱাফলা গাওঁত এই দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰে। এই উপলক্ষে জৈৱিকভাৱে পচন নোহোৱা আৱৰ্জনা মুক্ত কৰাৰ বাবে শিশুসকলক পৰামৰ্শ দিয়া হয়। ইয়াৰ পাছতেই শিশু সংসদৰ অধ্যক্ষ পাহাৰী কোঁৱৰৰ সঞ্চালনাত অনুষ্ঠিত সভাত এই দিৱসৰ উদ্দেশ্য ব্যাখ্যা কৰা হয়।

০০০০

হোজাই জিলাৰ ডবকাৰ লালমাটিত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত দুগৰাকী মহিলা থিতাতে নিহত হয়। ডিফুৰ পৰা নগাঁও অভিমুখে আহি থকা এখন যাত্ৰীবাহী বাছৰ সৈতে বিপৰীত ফালৰ পৰা অহা এখন ব্যক্তিগত চাৰিচকীয়া বাহনে মুখামুখিকৈ খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত চাৰিচকীয়া বাহনখনত যাত্ৰা কৰা মহিলা দুগৰাকীৰ মৃত্যু হোৱাৰ লগতে বাহনখনৰ চালকজন গুৰুতৰভাৱে আহত হয়। চালকজনক সংকটজনক অৱস্থাত নিকটৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। মৃত মহিলা দুগৰাকী পশ্চিম কাৰ্বি আংলঙৰ সাতগাঁৱৰ নজনী টিমুংপি আৰু ৰজনী বেপি বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০

ধেমাজি জিলাৰ গোৱালদৈ বাটমাৰীৰ নিবাসী তথা মাছখোৱা টাউন হাইস্কুলৰ সহ শিক্ষক দেৱৰাজ চেত্ৰীৰ আজি বিয়লি দেহাৱসান ঘটে। কিছুদিন ধৰি যকৃতৰ ৰোগত আক্ৰান্ত হৈ থকা শিক্ষকগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫০ বছৰ। ১৯৯৮ চনৰ পৰা বিদ্যালয়খনৰ সৈতে জড়িত থকা শিক্ষকগৰাকীৰ মৃত্যুত অঞ্চলটোৰ শোকৰ ছাঁ পৰিছে।

০০০০

সমাপ্ত